# আমি কৰা অসৎ কৰ্ম্ম আমি ঈশ্বৰৰ আগত স্বীকাৰ কৰো

## যোহন বাপ্তাইজকৰ পৰিচৰ্য্যা



ল'ৰা-ছোৱালীৰ বয়স ও প্ৰয়োজন অনুযায়ী কৰিবলগীয়া কামবোৰ বাচি লওক।

**প্ৰাৰ্থনা ঃ** "প্ৰিয় প্ৰভু, প্ৰতি গৰাকী ল'ৰা-ছোৱালীক তেওঁলোকৰ পাপবোৰ স্বীকাৰ কৰাত সহায় কৰক, যাতে যেন তেওঁলোকৰ পাপ-শিকলি ভাঙি যায় আৰু লাজ ও বেয়া অভ্যাসবোৰৰ পৰা তেওঁলোক মুক্ত হয়। আৰু প্ৰতি গৰাকী ল'ৰা-ছোৱালী বিবেক শক্তি স্পষ্ট হয়। আমাৰ প্ৰাৰ্থনা শুনক, ক্ষমা কৰক আৰু আমাৰ অন্তৰলৈ শান্তি আনি দিয়ক।



যোহন বাপ্তাইজকে পাপ স্বীকাৰ কৰিবলৈ লোকবিলাকক কি দৰে সহায় কৰিছিল আৰু ক্ষমা পাইছিল সেই বিষয়ে এগৰাকী বয়সীয়া অথবা ডাঙৰ ল'ৰা / ছোৱালীক ক'বলৈ দিয়ক। শিক্ষা দিয়াত প্ৰস্তুত হবলৈ মথি ৩ঃ১-১২ আৰু লূক ৩ঃ১০-১৮ পঢ়ক। কাহিনী পঢ়াৰ পাছত, তলত দিয়া প্ৰশ্নবিলাক ল'ৰা-ছোৱালীক সোধক ঃ

- লোক বিলাকক যোহন বাপ্তাইজকে কি শিকাইছিল? *(মথি ৩ঃ১)*
- লোক বিলাকক কি কৰিবলৈ যোহনে কৈছিল? *(মথি ৩ঃ১)*
- তেওঁলোকে মন পালটন কৰাৰ কি দুটা কাৰ্য্য কৰিছিল? *(মথি ৩ঃ৬)*
- 'মন পালটন'ৰ অৰ্থ কি? *(আমাৰ পাপৰ পৰা ঘূৰা আৰু ঈশ্বৰৰ বাধ্য হোৱা)*
- তেওঁলোকৰ পাপ স্বীকাৰ কৰাৰ প্ৰয়োজন বুলি নিজকে খুউব ভাল বুলি ভবা লোক বিলাকক পৌলে কি বুলি মাতিছিল? *(মথি ৩ঃ৭-১১। তেওঁ তেওঁলোকক সৰ্পৰ বংশ, বাপ্তিস্ম দিয়াত অমান্তি হৈছিল আৰু আহিব লগা সোধ বিচাৰৰ বাবে সতৰ্ক কৰিছিল।)*
- "মোৰ পাছত অহা জনা মোতকৈ শক্তিমান", এই কথা কওঁতে, যোহনে কাক বুজাইছিল? *(তেওঁ যীচুক বুজাইছিল)*
- যীচুৱে কি কৰিব বুলি যোহনে কৈছিল? *(মথি ৩ঃ১১-১২ মন পালটন কৰাজনক যীচুৱে পবিত্ৰ আত্মাৰে বাপ্তাইজিত কৰিব, আৰু আন বিলাকলৈ বিচাৰ আৰু শাস্তি বিহিব।)*
- মন পালটন কৰা বুজাবলৈ লোকসমূহক কি কৰিবলৈ যোহনে কৈছিল? *(লূক ৩ঃ১০-১১)*
- তেওঁলোকক বাপ্তিস্ম দিয়া পাছত লুভীয়া কৰ তোলা যোহনে কি কৰিবলৈ কৈছিল? *(লূক ৩ঃ১২-১৩)*
- সেনাবিলাকক যোহনে কি কৰিবলৈ কৈছিল? *(লূক ৩ঃ১৪)*

**পাপ স্বীকাৰ কৰা লোকবিলাকৰ কাহিনীৰ কিছু অংশ নাটকলৈ পৰিণত কৰা ঃ**

- বয়সীয়া সকলৰ আগত পৰিবেশন কৰিবলৈ উপাসনা চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- ক্লাচত শিকোৱা সময়ত নাটকৰ আখৰা কৰক।
- প্ৰস্তুত কৰোঁতে ডাঙৰ ল'ৰা-ছোৱালীক সৰুবোৰক সহায় কৰিবলৈ দিয়ক।
- বয়সীয়া অথবা **ডাঙৰ ল'ৰা-ছোৱালীয়ে যোহন, ফৰীচী, বৰ্ণনাকাৰী** আৰু **ছোৱালীৰ** ভাও কৰক।
- **সৰু ল'ৰা-ছোৱালীয়ে** এই অংশবোৰৰ ভাও লওক ঃ **কৰতোলা, সেনা** আৰু **যিহূদীয়াৰ** লোকবিলাক।

**বৰ্ণনাকাৰী ঃ** মথি ৩ঃ১-১২ পৰা গল্পটোৰ ১ম ভাগ কওক। এতিয়া কওক, "যিৰূচালেমৰ অনুতাপিত এগৰাকী ছোৱালীয়ে কি কৈছে, শুনক।"

**ছোৱালী ঃ** "যিহূদীয়া আৰু যিৰূচালেমত বাস কৰা আমি অনেক অসৎ কৰ্ম্ম কৰিলোঁ। কিন্তু আমি অনেকে পৰিবৰ্ত্তন হৈ ঈশ্বৰৰ বাধ্য হ'ব খোজোঁ। মই মোৰ পাপ স্বীকাৰ কৰোঁ।

**যোহন ঃ** "ঈশ্বৰে তোমালোকক ক্ষমা কৰিলে। আহাঁ, বাপ্তাইজিত হোৱা।"

**ফৰীচী ঃ** *(অহঙ্কাৰী ভাৱে কথা কয়)* "আমি ফৰীচীসকল ধৰ্ম্মীয় নেতা আৰু আমি ভালদৰে জীৱন যাপন কৰোঁ। আমি বাপ্তিস্ম গ্ৰহণ কৰিম কাৰণ ভাল কৰ্ম্ম কৰি আমি ঈশ্বৰৰ অনুগ্ৰহ পাইছোঁ!"

**যোহন ঃ** "হে সৰ্পৰ বংশ, আগলৈ হ'ব পৰা ক্ৰোধৰ পৰা পলাবলৈ তোমালোকক কোনে বুদ্ধি দিলে? এই হেতুকে মন পালটনৰ উপযুক্ত ফলেৰে ফলৱান হোৱা!"

**বৰ্ণনাকাৰী ঃ** লূক ৩ঃ১০-১৮ পদৰ পৰা কাহিনীটোৰ ২য় ভাগ কওক।

এতিয়া কওক, "এজন লুভীয়া কৰতোলাই কি কৈছে শুনক!"

**কৰতোলা ঃ** "আমি স্বাৰ্থপৰ আৰু অসৎ কাম কৰিলোঁ। আমি কি কৰা উচিত?"

**যোহন ঃ** "যিমান ধন সংগ্ৰহ কৰিবলৈ দিয়া হয় তাতকৈ অধিক নকৰিব। আপুনি আপোনাৰ পাপবোৰ স্বীকাৰ কৰিলে। ঈশ্বৰে আপোনাক ক্ষমা কৰিলে। আহক আৰু বাপ্তাইজিত হওঁক।"



**সেনা ঃ** "আমি সেনাবিলাকৰ কি হ'ব? আমি কি কৰিম? আমিও অধিক পাপ কৰিলোঁ।

**যোহন ঃ** "জোৰকৈ কাৰো পৰা ধন নল'বা, অথবা মিছাকৈ কাকো দোষাৰূপ নকৰিবা, আৰু নিজৰ বেচত সন্তোষ্ট হ'বা। আপুনি আপোনাৰ পাপ স্বীকাৰ কৰক। আহাঁ, আৰু বাপ্তাইজিত হোৱাহি।

**বৰ্ণনাকাৰী ঃ** নাটকত সহায় কৰা আটাইকে ধন্যবাদ দিয়ক।

**প্ৰশ্নবোৰ ঃ** বয়সীয়া সকলৰ আগত ল'ৰা-ছোৱালীয়ে এই নাটক পৰিবেশন কৰিলে, ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ সুধিবলৈ দিয়ক।

একুৰা জুইৰ **ছবি আঁকক**, আৰু উপাসনাৰ সময়ত ল'ৰা-ছোৱালীয়ে বয়সীয়া সকলক দেখুৱাওক। এই কথা বৰ্ণনা কৰিবলৈ দিয়ক যে যেতিয়া যীচুৱে মৃত্যু লোকক তুলিব, সেয়ে শস্য দোৱা যেন হ'ব ঃ

- বিশ্বাসীসকল সদায় যীচুৰ লগত থাকিব।
- তেওঁক অগ্ৰাহ্য কৰা সকলক, ঈশ্বৰে পৃথক কৰিব, যিদৰে শস্য দাওঁতাই ধানৰ পৰা ঘুলা / পতানবোৰ পৃথক কৰে আৰু পুৰি পেলায়।



**পদ্য ঃ** গীতমালা ৫১ ৰ পদ কেইটা ল'ৰা-ছোৱালীক মুখস্থ মাতিবলৈ দিয়ক।

২ ঃ মোৰ অধৰ্ম্মৰ পৰা মোক সম্পূৰ্ণকৈ ধুই পোলোৱা; মোৰ পাপৰ পৰা মোক শুচি কৰা।

৩ ঃ কিয়নো মোৰ অপৰাধবোৰ মই নিজে জানিছোঁ; মোৰ পাপ সদায় মোৰ আগতে আছে।

৪ ঃ তোমাৰ বিৰুদ্ধে, অকল তোমাৰেই বিৰুদ্ধে মই পাপ কৰিলো। আৰু তোমাৰ দৃষ্টিত যি ঘিনলগীয়া, তাকে কৰিলোঁ।

৫ ঃ চোৱা, অধৰ্ম্মতে মোৰ জন্ম হ'ল; মোৰ মাতৃয়ে মোক পাপতে গৰ্ভধাৰণ কৰিলে।

৭ ঃ তুমি এচোব বনেৰে মোক পাপৰ পৰা মুক্ত কৰা, তাতে মই শুচি হম; মোক ধোৱা তাতে মই হিমতকৈ বগা হ'ম।

১০ ঃ হে ঈশ্বৰ, মোত শুদ্ধ মন সৃষ্টি কৰা; মোৰ অন্তৰত সুস্থিৰতা আত্মা পুনৰায় জন্মোৱা।

আমাৰ পাপ স্বীকাৰ কৰা আৰু ক্ষমা পোৱা বিষয়ে পদ্য অথবা এটি গীত ৰচিবলৈ ডাঙৰ ল'ৰা-ছোৱালীক কওক।

গীতমালা ৫১ঃ১০ পদটো **মুখস্থ কৰক**।

Copyright 2005 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.